**<u>গৌহাটী উচ্চ ন্যায়ালয়</u>**

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

**<u>ফৌজদাৰী আপীল ১১৫(জে) / ২০১৯</u>**

শ্ৰীৰামু তান্তি

......... আপীলকাৰী

-বনাম -

অসম ৰাজ্য আৰু অন্যান্য

......... উত্তৰদাতা

আবেদনকাৰীৰ বাবে: শ্ৰীযুত আৰ. শৰ্মা, এমিকাছ কুৰি (আদালত বন্ধু)

উত্তৰদাতাসকলৰ বাবে: শ্ৰীমতী বি. ভূঞাঁ, অতিৰিক্ত লোক অধিবক্তা, অসম

**<u>মহামহিম ন্যায়াধীশ শ্ৰীসুমন শ্যাম</u>**

**<u>আৰু মহামহিম ন্যায়াধীশ শ্ৰীৰবিন ফুকনৰ</u>**

**<u>খণ্ড বিচাৰপীঠ</u>**

<u>শুনানিৰ তাৰিখ:</u>

২৭/০৯/২০২১

<u>ৰায়ৰ তাৰিখ:</u>

২৭/০৯/২০২১

**<u>ৰায় আৰু আদেশ (মৌখিক)</u>**

**ন্যায়াধীশ সুমন শ্যাম**

১) আবেদনকাৰীৰ হৈ বিজ্ঞ অধিবক্তা শ্ৰীআৰ. শৰ্মাৰ যুক্তি শুনা হ'ল। লগতে অসম চৰকাৰ/ ১নং অপৰপক্ষক প্ৰতিনিধিত্ব কৰি বিজ্ঞ অতিৰিক্ত লোক অধিবক্তা

শ্ৰীমতী বি. ভূঞাঁই দাঙি ধৰা যুক্তিও শুনা হ'ল। এজাহাৰকাৰী/ ২নং অপৰপক্ষৰ হৈ কোনো হাজিৰ হোৱা নাই ।

২)এই আপীলত শিৱসাগৰৰ বিদ্বান বিশেষ ন্যায়াধীশে গোচৰ নং (পি.ও.চি.এচ.ও.) ১৮/২০১৬ত দিয়া ০৫/০৪/২০১৬ তাৰিখৰ ৰায় আৰু আদেশক প্ৰত্যাহ্বান জনোৱা হৈছে যাৰ জৰিয়তে একমাত্ৰ আপীলকাৰী শ্ৰীৰামু তান্তীক যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইন (পি.ও.চি.এচ.ও.) ২০১২ আইনৰ ধাৰা ৬ৰ অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে তেওঁক দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাবাস খটাৰ লগতে ৫০০০/- টকা জৰিমনা বিহা হৈছে আৰু জৰিমনা অনাদায়ে আইনমতে শাস্তি ভুগিব।

৩) গোচৰটোৰ বিষয়বস্তু চমুকৈ হ'ল যে আচামী/আপিলকাৰীয়ে ১৫/০৫/২০১৬ তাৰিখে বিয়লি প্ৰায় ৪ বজাত শ্ৰীমহেন্দ্ৰ গগৈৰ চাহ বাগিচাৰ ভিতৰত এজনী ৫ বছৰীয়া কিশোৰীক ধৰ্ষণ কৰিছিল যাৰ ফলত তাই আঘাতপ্ৰাপ্ত হৈছিল আৰু তাই তাইৰ গোপন অংগৰ পৰা তেজ ওলাইছিল।

৪) ৪/১৫/০৫/২০১৮ তাৰিখে নিশা প্ৰায় ৮-৩০ বজাত ভুক্তভোগীৰ পিতৃ শ্ৰীসমৰু ঘাটোৱাৰ(সাক্ষী নং-৩)য়ে সোণাৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ হাতত এখন এজাহাৰ দাখিল কৰিছিল, যাৰ ভিত্তিত সোণাৰি থানাৰ গোচৰ নং ৮৯/২০১৬ (পি.ও.চি.এচ.ও.) ২০১২ আইনৰ ধাৰা ৬ত পঞ্জীয়ন কৰা হৈছিল। আচামীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল । দণ্ডাধীশে দুজন সাক্ষী, সাক্ষী নং-১ আৰু সাক্ষী নং-১৩ৰ জৱানবন্দী ফৌজদাৰী কাৰ্য্যবিধি ১৬৪ নং ধাৰা অনুসৰি লিপিবদ্ধ কৰিছিল। তদন্তৰ সময়ত তদন্তকাৰী বিষয়াই ভুক্তভোগীৰ চিকিৎসাৰ প্ৰতিবেদন সংগ্ৰহ কৰিছিল আৰু সাক্ষীসকলৰ জৱানবন্দী লিপিবদ্ধ কৰিছিল। তাৰপিছত আচামীৰ বিৰুদ্ধে (পি.ও.চি.এচ.ও.) ২০১২ আইনৰ ধাৰা ৪ত অভিযোগনামা দাখিল কৰিছিল।

(প্ৰদৰ্শক-১০)। দেখা গৈছে যে নিম্ন আদালতে প্ৰথমে অভিযুক্তৰ বিৰুদ্ধে (পি.ও.চি.এচ.ও.) ২০১২ আইনৰ ধাৰা ৪ত চাৰ্জ ফ্ৰেম কৰিছিল কিন্তু তাৰ পিছত চাৰ্জটো ধাৰা ৬ লৈ সলনি কৰা হয়। চাৰ্জ (অভিযোগ)টো পঢ়ি অভিযুক্তক বুজাই দিয়াৰ পিছত তেওঁ নিজকে নিৰ্দোষী বুলি কৈ বিচাৰৰ সন্মুখীন হবলৈ দাবী কৰিছিল, যাৰ ফলত গোচৰটোৰ বিচাৰ কৰা হৈছিল।

৫) গোচৰীয়া পক্ষৰ গোচৰটো সম্পূৰ্ণৰূপে পৰিস্থিতিগত প্ৰমাণৰ ওপৰত প্ৰতিস্থিত। অভিযোগ প্ৰমাণ কৰিবলৈ গোচৰীয়া পক্ষই এই ঘটনাৰ পিছতে ভুক্তভোগীক পৰীক্ষা কৰা চিকিৎসক (সাক্ষী নং-৬) আৰু গোচৰৰ তদন্তকাৰী বিষয়া (সাক্ষী নং-১২)কে ধৰি ১৩ জন সাক্ষীক আদালতত সাক্ষ্য গ্ৰহণ কৰাইছিল।

৬)সাক্ষী নং-১ আৰু সাক্ষী নং-১৩ ক্ৰমে ভুক্তভোগীৰ মাতৃ আৰু সম্বন্ধীয় ভনী, যিদুজনীয়ে ঘটনা সংঘটিত হোৱাৰ কিছু সময়ৰ পিছতে ঘটনাস্থলীত উপস্থিত হৈছিল আৰু আচামী আৰু ভুক্তভোগীক একেলগে দেখা পাইছিল আৰু ভুক্তভোগীৰ গোপন অংগৰ পৰা প্ৰচুৰ পৰিমাণে তেজ ওলোৱা দেখিছিল । গতিকে এই দুজন সাক্ষী গোচৰীয়া পক্ষৰ মূল সাক্ষী আৰু তেওঁলোকৰ সাক্ষ্যৰ ওপৰত নিম্ন আদালতে বহু পৰিমাণে ভৰষা কৰিছিল।

৭) আচামীৰ বক্তব্য/মন্তব্য ফৌজদাৰী কাৰ্য্যবিধিৰ ৩১৩ নং ধাৰা অনুসৰি লিপিবদ্ধ কৰা হৈছিল য'ত তেওঁৰ সন্মুখত উত্থাপিত সকলো অভিযোগমূলক উক্তি তেওঁ অস্বীকাৰ কৰিছিল। আচামীৰ মতে, পূৰ্বতে তেওঁ গোচৰীয়াৰ জ্যেষ্ঠ কন্যাক বিয়া কৰাইছিল আৰি পৰৱৰ্তী সময়ত বিচ্ছেদ হৈছিল আৰু সেই ক্ষোভৰ বাবেই তেওঁক এই গোচৰত মিছাকৈ জড়িত কৰা হৈছে। আচামী পক্ষৰ ফালৰ পৰা অৱশ্যে কোনো সাক্ষ্য প্ৰদান কৰা হোৱা নাছিল।

৮)গোচৰৰ নথিত উপলব্ধ সাক্ষ্য-প্ৰমাণৰ মূল্যায়নৰ পিছত বিদ্বান বিশেষ ন্যায়াধীশে অভিযুক্ত ব্যক্তিজনৰ বিৰুদ্ধে উত্থাপিত অভিযোগ যুক্তিসংগত আৰু সন্দেহৰ বাহিৰত প্ৰতিষ্ঠিত বুলি ৰায় দিছিল। সেই অনুসৰি পূৰ্বে উল্লেখ কৰা ধৰণে আচামীক দোষী সাব্যস্ত কৰি শাস্তি প্ৰদান কৰা হয় ।

৯)আপীলকাৰীক প্ৰতিনিধিত্ব কৰি বিদ্বান আদালতৰ বন্ধু (এমিকাছ কুৰি) শ্ৰীআৰ. শৰ্মাই যুক্তি দিছে যে নিম্ন আদালতে সাক্ষী নং-১ আৰু সাক্ষী নং-১৩ৰ সাক্ষ্যৰ বৈপৰীত্য আৰু সংযোজনক আওকাণ কৰি সাক্ষী নং-১ আৰু সাক্ষী নং-১৩ৰ সাক্ষ্য ভুলকৈ বিশ্বাস কৰিছিল। ইয়াৰ উপৰিও শৰ্মা ডাঙৰীয়াই যুক্তি দিছে যে এই ঘটনাৰ কোনো প্ৰত্যক্ষদৰ্শী নাই আৰু আচামীৰ বিৰুদ্ধে উত্থাপিত অভিযোগ যুক্তিসংগত সন্দেহৰ বাহিৰত বুলি প্ৰমাণ কৰিবলৈ গোচৰীয়া পক্ষই উত্থাপন কৰা সাক্ষ্য সমূহ যথেষ্ট নাছিল।

১০) আনহাতে অসমৰ চৰকাৰৰ অতিৰিক্ত লোক অধিবক্তা বিদ্বান শ্ৰীমতী বি. ভূঞাঁই যুক্তি দিছে যে আচামীৰ বিৰুদ্ধে উত্থাপিত অভিযোগটো যুক্তিযুক্ত সাক্ষ্যৰ দ্বাৰাই প্ৰমাণ কৰাত গোচৰীয়া পক্ষ সফল হৈছে। গতিকে চিকিৎসকৰ মতামতৰ লগতে সাক্ষী নং-১ আৰু সাক্ষী নং-১৩ৰ সাক্ষ্যৰ প্ৰতি লক্ষ্য ৰাখি এই আদালতে আচামীক দোষী সাব্যস্ত কৰাৰ আদশত হস্তক্ষেপ কৰাৰ কোনো সুযোগেই নাই।

১১) আমি বিদ্বান অধিবক্তাসকলে আগবঢ়োৱা যুক্তিসমূহ বিবেচনা কৰিছো আৰু গোচৰৰ নথিত উপলব্ধ সাক্ষ্যসমূহো পৰ্যবেক্ষণ কৰিছো। এতিয়া গোচৰীয়া পক্ষই গোচৰৰ নথিত অনা সাক্ষ্যসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা যাওক।

১২) ১নং সাক্ষী শ্ৰীমতী সৰুমাই ঘাটোৱাৰ ভুক্তভোগীৰ মাতৃ আৰু তেওঁ আদালতত সাক্ষী দিয়ে যে ১৫/০৫/২০১৬ তাৰিখে তেওঁ “বাগান” (চাহ বাগিচা)ত কাম কৰি থকাৰ সময়ত তেওঁৰ কন্যা “এম” (ভুক্তভোগী) তেওঁক বিচাৰি তেওঁৰ

কৰ্মস্থলীলৈ আহিছিল যদিও তাৰ আগতেই তেওঁ কৰ্মস্থলীৰ পৰা উভতি আহিছিল। বাটত তাত খেলি থকা ল'ৰাবোৰে তাইক কৈছিল যে তেওঁৰ ছোৱালী “এম”য়ে তেওঁক বিচাৰি তেওঁৰ কৰ্মস্থলীলৈ আহিছিল আৰু বগা চাৰ্ট পিন্ধা এজন ব্যক্তিয়ে তেওঁৰ ছোৱালীক লৈ গৈছে। তেতিয়া তেওঁ তেওঁৰ ছোৱালীজনীৰ নাম লৈ জোৰেৰে মাতিবলৈ আৰম্ভ কৰিলে, আৰু বাগিচাৰ ভিতৰলৈ সোমাই গৈ দেখিলে যে “এম” পৰি আছে আৰু আচামীজন তাইৰ ওচৰত বহি আছে। তেওঁক দেখি আচামীজন, যাক তেওঁ আদালতত চিনাক্ত কৰিছিল, পলায়ন কৰিছিল আৰু তেওঁৰ ছোৱালীজনী “এম”ক পেন্ট খোলা আৰু উলংগ অৱস্থাত দেখিছিল। ছোৱালীজনীৰ গোপন অংগত আঘাত পোৱা দেখা গৈছিল আৰু সেই অংগৰ পৰা তেজ ওলোৱা আৰু তাইৰ ডিঙিত নখৰ দ্বাৰা আঘাত হোৱা দেখা গৈছিল। তেওঁ ছোৱালীজনীক কোলাত লৈ লগে লগে বাগিচাৰ মালিক (সাক্ষী নং-৯) মহেন্দ্ৰ গগৈৰ বাসগৃহলৈ আহিছিল। ৯নং সাক্ষীয়ে এই বিষয়ে সাংবাদিক আৰু ছাত্ৰ নেতাসকলক জনাইছিল আৰু তাৰ পিছত তেওঁৰ কন্যাৰ চিকিৎসাৰ বাবে তেওঁক তেওঁৰ কন্যাৰ সৈতে ১০৮ এম্বুলেন্স সেৱাৰে ৰাজাপুখুৰী চিকিৎসালয়লৈ পঠিওৱা হৈছিল । তেওঁৰ কন্যাক চিকিৎসালয়ত ভৰ্তি কৰি চাৰিদিন চিকিৎসা কৰা হৈছিল । যদিও তেওঁৰ কন্যা (ভুক্তভোগী)ক উন্নত চিকিৎসাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছিল কিন্তু ধনৰ অভাৱত তেওঁ তালৈ যাব পৰা নাছিল। সাক্ষী-১ য়ে উল্লেখ কৰিছে যে তেওঁৰ স্বামীয়ে এই ঘটনাৰ দিনাই এজাহাৰ দাখিল কৰিছিল। এই সাক্ষীয়ে এই কথাও উল্লেখ কৰিছে যে তেওঁৰ ছোৱালীক সোধাত তাই কয় যে আচামীয়ে তাইৰ পেন্ট খুলি তাইৰ লগত অসৎ কাম কৰিছিল আৰু কান্দিবলৈ চেষ্টা কৰোতে আচামীয়ে তাইৰ ডিঙিত চেপি মুখৰ মাত বন্ধ কৰি দিছিল। আৰক্ষীয়ে তেওঁৰ কন্যাৰ পিন্ধা পোছাক আৰু আচামীয়ে ভুক্তভোগীক ফুচলাবলৈ দেখুৱা ললিপপ চকলেট এটা জব্দ কৰিছিল ।

১৩) তেওঁৰ জেৰাৰ সময়ত ১নং সাক্ষীয়ে উল্লেখ কৰিছে যে এই ঘটনাটো চাহপাত সংগ্ৰহ কৰা অঞ্চলৰ ওচৰতে সংঘটিত হৈছিল। তেওঁ এই কথাও উল্লেখ কৰিছিল যে এই ঘটনাৰ পূৰ্বে আচামীজন তেওঁৰ চিনাকি নাছিল যদিও একে সময়তে তেওঁ উল্লেখ কৰিছিল যে প্ৰায় দুবছৰ আগতে তেওঁৰ ডাঙৰ কন্যা নোমি ঘাটোৱাৰে আচামীজনৰ সৈতে পলায় গৈ তাৰ লগত বিয়া হৈছিল । সাংসাৰিক জীৱনৰ প্ৰায় এবছৰৰ অন্তত আচামীৰ সৈতে কিবা কাজিয়া লাগি তেওঁৰ কন্যাই ঘৰলৈ গুচি আহিছিল । ইয়াৰ পিছত তাইৰ পছন্দৰ আন এজন ব্যক্তিৰ লগত বিয়া হৈছিল। ১নং সাক্ষীয়ে এইটোও উল্লেখ কৰিছে যে যিহেতু আচামীৰ সৈতে তেওঁলোকৰ কোনো সম্পৰ্ক নাছিল, সেয়েহে তেওঁৰ কন্যা "এম"ৰ আচামীজনৰ সৈতে চিনাকি নাছিল। অৱশ্যে আচামীৰ সৈতে তেওঁলোকৰ তিক্ততাপূৰ্ণ সম্পৰ্কৰ বাবে আচামীক গোচৰত মিছাকৈ জড়িত কৰা বুলি দিয়া উক্তি তেওঁ অস্বীকাৰ কৰিছে। আচামীয়ে ভুক্তভোগীৰ সৈতে কোনো ধৰণৰ কু-কৰ্ম কৰা নাছিল বা ঘটনাস্থলীত আচামী উপস্থিত নাছিল বুলি দিয়া উক্তিও তেওঁ অস্বীকাৰ কৰিছে।

১৪) ১৩নং সাক্ষী শ্ৰীমতী ৰীমা ঘাটোৱাৰক শিশু সাক্ষী হিচাপে পৰীক্ষা কৰা হৈছিল। নিম্ন আদালতে তাইৰ মানসিক সক্ষমতা নিৰ্ণয় কৰিবলৈ তাইক কেইটামান প্ৰশ্ন সোধাৰ পিছত সাক্ষীগৰাকীয়ে আদালতৰ সন্মুখত সাক্ষ্য দিবলৈ সক্ষম বুলি নিশ্চিত হৈছিল আৰু সেই অনুসৰি আদালতে তাইৰ সাক্ষ্য অসমীয়াৰ পৰা ইংৰাজীলৈ অনুবাদ কৰি লিপিবদ্ধ কৰে। ১৩নং সাক্ষীয়ে সাক্ষ্য দি কয় যে অ আচামীগৰাকী তেওঁলোকৰ গাওঁৰ হোৱা বাবে তেওঁৰ চিনাকি আছিল। ভুক্তভোগী "M" তাইৰ সম্বন্ধীয় ভনীয়েক। ঘটনাৰ দিনা "M" অকলে বাগিচালৈ যোৱা বুলি গম পাই তাই ভুক্তভোগীৰ মাকৰ লগত তালৈ গৈছিল। ৰাস্তাত খেলি থকা মুনৰ পুত্ৰক লগ পোৱাৰ লগে লগে তাক "M" ৰ বিষয়ে সোধাত সি উত্তৰ দিছিল যে

সি ছোৱালীজনীক বগা চাৰ্ট পিন্ধা এজন মানুহৰ লগত যোৱা দেখিছে। সেই কথা শুনি তাইৰ আন্টি (সাক্ষী-১)য়ে তেওঁৰ ছোৱালীজনীৰ নাম লৈ জোৰেৰে মাতিবলৈ আৰম্ভ কৰিলে। "চাহপাত ভঁৰালত" উপস্থিত হোৱাৰ লগে লগে তাই দেখিলে যে আচামীয়ে বাগিচাৰ ভিতৰলৈ "M"ক টানি আছে। বাগিচাখনত প্ৰৱেশ কৰাৰ লগে লগে তাই এনেকুৱা শব্দ শুনিলে যেন কাৰোবাক মুখ বন্ধ কৰি ৰখাৰ চেষ্টা কৰা হৈছে। তাই আৰু দেখিলে যে "M" মাটিত পৰি আছে আৰু আচামীজন তাইৰ ওপৰত উঠি আছে। তাই দেখিলে "এম" ৰ পেন্টটো খুলি দিয়া হৈছে আৰু তাই উলংগ অৱস্থাত আছে। আচামীৰো পেন্টটো খোলা আছিল। তেওঁলোকক দেখা পাই আচামীয়ে তাইক ধমকী দিছিল আৰু খেদিবলৈ চেষ্টা কৰিছিল, যাৰ ফলত তাই লুকাই থাকিবলগীয়া হৈছিল। তাৰ পিছতে আচামীয়ে সেই ঠাই এৰি গুচি গ'ল। "এম"ৰ ওচৰলৈ যোৱাৰ লগে লগে তাইৰ গোপন অংগত আঘাত আৰু তেজ ওলোৱা দেখা গৈছিল আৰু পেন্টত তেজৰ দাগও দেখা গৈছিল । তাৰ পিছত তাইৰ আন্টী (সাক্ষী-১)য়ে "এম"ক কোলাত লৈ লৰালৰিকৈ চিকিৎসালয়লৈ গৈছিল । আৰক্ষীয়ে তাইক সোধপোচ কৰিছিল আৰু তাইৰ জবানবন্দী আদালতত লিপিবদ্ধ কৰা হৈছিল (প্ৰদৰ্শক-৭)। তাইৰ জেৰাৰ সময়ত এই সাক্ষীগৰাকীয়ে নিজৰ সাক্ষ্যৰ স্থিতত অটল আছিল আৰু আচামীৰ অধিবক্তাই দিয়া উক্তি যে তাই ভুক্তভোগীৰ মাতৃয়ে শিকাই দিয়ামতে সাক্ষ্য দিছিল সেইটো অস্বীকাৰ কৰিছিল ।

১৫) ভুক্তভোগীক "M"ক ২নং সাক্ষী বুলি উল্লেখ কৰা হৈছিল । কিন্তু দেখা গৈছে যে তাইৰ গোপন অংগ আঙুলিয়াই দিহে ক'ব পাৰিছিল যে আচামী ৰামুৱে তাইক ধৰ্ষণ কৰিছিল। ইয়াৰ পিছত মাকে তাইক চিকিৎসালয়লৈ লৈ যায়। তাইৰ গোপন অংগৰ পৰাও তেজ ওলাইছিল। জেৰাত ২নং সাক্ষীয়ে উল্লেখ কৰিছে যে তাইৰ মাকে কৈছিল যে "ৰামু"ই তাইক ধৰ্ষণ কৰিছিল।

১৬)৩নং সাক্ষী শ্ৰীসমৰু ঘাটোৱাৰ হৈছে এই গোচৰৰ এজাহাৰকাৰী তথা ভুক্তভোগীৰ পিতৃ। ৩নং সাক্ষীয়ে উল্লেখ কৰিছে যে ১৫/০৫/২০১৬ তাৰিখে চাহ বাগিচাত কামৰ পৰা উভতি অহাৰ সময়ত তেওঁৰ পুত্ৰ জিন্টুৱে তেওঁক জনাইছিল যে তেওঁৰ কন্যাৰ অৱস্থা গুৰুতৰ আৰু তাইক এখন ১০৮ এম্বুলেন্সেৰে চিকিৎসালয়লৈ লৈ যোৱা হৈছে। তেওঁ লগে লগে ৰাজাপুখুৰী চিকিৎসালয়লৈ গৈ দেখে যে তেওঁৰ নাবালক কন্যাক চিকিৎসা কৰি থকা হৈছে। তাই চিকিৎসালয়ত চাৰিদিন থাকিবলগীয়া হৈছিল। ইয়াৰ পিছত তেওঁৰ জীয়েকে ৰামুৱে তাইৰ মুখ বন্ধ কৰি লৈ ধৰ্ষণ কৰা বুলি কৈছিল । ৩নং সাক্ষীয়ে নিশ্চিত কৰিছে যে ১৫/০৫/২০১৬ তাৰিখে তেওঁ সোণাৰি থানাত এজাহাৰ দাখিল কৰিছিল। আৰক্ষীয়ে তেওঁক আৰু তেওঁৰ ভতিজীক ঘটনা সংঘটিত হোৱা ঠাইলৈ লৈ গৈছিল । স্থানীয় ৰাইজে আচামীক আটক কৰি আৰক্ষীক গতাই দিয়ে। আৰক্ষীয়ে আচামীৰ পৰা এটা ললিপপ চকলেট জব্দ কৰে । তেওঁক জেৰা কৰাৰ সময়ত তেওঁক তেওঁৰ সাক্ষ্যৰ পৰা অলপো বিচলিত কৰিব নোৱাৰিলে ।

১৭) এইটো অনুমান হয় যে সাক্ষী নং ৪, ৫, ৭, ৮ আৰু ৯য়ে ১নং সাক্ষীৰ পৰা শুনিছিল যে আচামীয়ে তেওঁৰ জীয়েকক ধৰ্ষণ কৰিছে। এই সকলোবোৰ সাক্ষীয়ে একে ধৰণেৰে সাক্ষ্য প্ৰদান কৰিছে।

১৮) ৬নং সাক্ষী ডাঃ এম. দেব ১৫/০৫/২০১৬ তাৰিখে সন্ধিয়া প্ৰায় ৬-২০ বজাত সোণাৰি মহকুমা অসামৰিক চিকিৎসালয়ত চিকিৎসা আৰু স্বাস্থ্য বিষয়া-১ হিচাপে কৰ্তব্য কৰি আছিল যেতিয়া আৰক্ষীয়ে ভুক্তভোগীক চিকিৎসা পৰীক্ষাৰ বাবে তালৈ আনিছিল। চিকিৎসকৰ মতে, ভুক্তভোগীক পৰীক্ষা কৰাৰ সময়ত মেডিকেল প্ৰতিবেদন (প্ৰদৰ্শক-২)ত তলত উল্লেখ কৰা তথ্যসমূহ লিপিবদ্ধ কৰা হৈছে:-

গোচৰৰ চমু তথ্য:

যৌন নির্যাতনৰ অভিযোগ।

মাহেকীয়া - এতিয়াও হোৱা নাই। এল.এম.পি. – নাই।

বৈবাহিক অৱস্থা – অবিবাহিত

সাধাৰণ আচৰণ – অস্থিৰ আৰু বিৰক্ত ।

মানসিক অৱস্থা – বাধাগ্রস্ত।

পিন্ধন – অপৰিৱৰ্তিত। প্ৰাপ্ত তথ্য – ৰঙা ৰঙৰ দাগ দেখা যায়।

গঠন আৰু পুষ্টি – মধ্যম। ওজন ১৪ কিলোগ্ৰাম।

উচ্চতা– ৩ ফুট, দাঁত ১০/১০।

চুলিৰ বিকাশ

যৌনাংগ আৰু আন অংগৰ নোম– নাই।

স্তনৰ বিকাশ – বিকাশ হোৱা নাই। প্ৰাপ্ত তথ্য –নাই।

শৰীৰত আঘাতৰ চিহ্ন – নাই।

যৌনাংগৰ পৰীক্ষা –

যৌনাংগৰ বিকাশ – বিকশিত হোৱা নাই।

গোপন অংগৰ নোম – নাই।

ফৰ্চেট – দেখা যায়, কিন্তু বিদিৰ্ণ আৰু ৰক্তক্ষৰণ হোৱা ।

ভংগাকুৰ – দেখা যায় । লেবিয়া মেজ'ৰা আৰু মাইনোৰা – বিকশিত হোৱা নাই ।

হাইমেন – ফাটি যোৱা, যোনি– বিকশিত হোৱা নাই, আঘাত– ফৰ্চেটত ছিঙি যোৱা আঘাত।

স্ৰাৱ আৰু দাগ – তেজ ওলোৱা দেখা যায়।

আভ্যন্তৰীণ পৰীক্ষা কৰা নহ'ল।

পৰীক্ষাগাৰত পৰীক্ষা :

যোনিৰ স্মিয়ৰ – শুক্ৰাণু দেখা নাযায়।

গৰ্ভাৱস্থাৰ পৰীক্ষা- প্ৰস্ৰাৱৰ H.C.G. – কৰা নাই।

আল্ট্ৰাছ'নোগ্ৰাফী – কৰা হোৱা নাই।

ৰেডিঅ'লজিকেল পৰীক্ষা:

১) বাওঁ হাতৰ কব্জা আৰু কঁকালৰ এ.পি. দৃশ্য, ২.বাওঁ ইলিয়াক ক্ৰিষ্ট এ.পি. দৃশ্য

ৰেডিঅ'লজিকেল প্ৰতিবেদন অনুসৰি বয়স ৩ৰ পৰা ৭ বছৰৰ ভিতৰত।

ৰেডিঅ'লজিষ্টৰ নাম ডাঃ টি. বৰবৰা।

মতামত: মিছ মিনা ঘাটোৱাৰক পৰীক্ষা কৰি মই দিয়া মতামত হল– (i) শেহতীয়াকৈ যৌন নিৰ্যাতন কৰাৰ প্ৰমাণ পোৱা যায়, (ii) তাইৰ ওপৰত শক্তি প্ৰয়োগ কৰাৰ কোনো প্ৰমাণ নাই, (iii) তাইৰ গোপন অংগত তেজৰ দাগ দেখা যায়, (iv) কাপোৰত ৰঙা ৰঙৰ দাগ (পৰীক্ষাগাৰৰ প্ৰতিবেদন উপলব্ধ নোহোৱাৰ বাবে কাপোৰত তেজ/বীৰ্যৰ উপস্থিতি নিৰ্ণয় কৰিব পৰা নগ'ল) আৰু (v) ছোৱালীজনীৰ বয়স ৩ৰ পৰা ৭ বছৰৰ ভিতৰত । প্ৰদৰ্শক–২ চিকিৎসা প্ৰতিবেদন আৰু প্ৰদৰ্শক–২(১) মোৰ চহী। প্ৰদৰ্শক–২(২) ডাঃ তপন বৰবৰাক দিয়া ৰেডিঅ'লজিকেল প্ৰতিবেদন, যাৰ চহী মই চিনি পাওঁ।"

আচামী পক্ষই ৬নং সাক্ষীক জেৰা কৰা নাছিল ।

১৯) ১০নং সাক্ষী শ্ৰীমতী বেনু ভূমিজে সাক্ষ্য দি কয় যে ১৫/০৫/২০১৬ তাৰিখে ৰাজাপুখুৰী অসামৰিক চিকিৎসালয়ত এ.এন.এম. নাৰ্চ হিচাপে কৰ্মৰত আছিল আৰু সেইদিনা সন্ধিয়া প্ৰায় ৬ বজাত আচামী ৰামু তাঁতীক আৰক্ষীয়ে তালৈ লৈ গৈছিল শাৰিৰীক পৰীক্ষাৰ বাবে। আচামীৰ শৰীৰ খানাতালাচ কৰাৰ সময়ত আৰক্ষীয়ে

আচামীৰ চোলাৰ মোনাৰ পৰা ৰেচমী কাগজেৰে মেৰিয়াই থোৱা বগা ৰঙৰ প্লাষ্টিকৰ দণ্ড থকা এটা কেণ্ডিপপ (মৰ্টন চকলেট) উদ্ধাৰ কৰিছিল। এইখিনি বস্তু প্ৰদৰ্শক-৩ দ্বাৰা জব্দ কৰা হৈছে আৰু প্ৰদৰ্শক-৩(১) তেওঁৰ চহী ।

২০) ১১নং সাক্ষী শ্ৰীযদুমণি দাস কেণ্ডিপপ (মৰ্টন চকলেট) জব্দ কৰা জব্দনামাৰ আন এজন সাক্ষী আৰু তেওঁ প্ৰদৰ্শক-৩(২)টো তেওঁৰ চহী বুলি চিনাক্ত কৰিছে ।

২১) ১২নং সাক্ষী শ্ৰীনৰেন ৰাজখোৱাক এই ঘটনাৰ সময়ত সোণাৰি থানাত সংলগ্ন বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল আৰু তেওঁ সাক্ষ্য দি কয় যে ১৫/০৫/২০১৬ তাৰিখে উক্ত থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই লংপাটিয়া গাওঁ সুৰক্ষা বাহিনীৰ সম্পাদক পংকজ দে (সাক্ষী-৮)ৰ পৰা ফোনযোগে খবৰ পাইছিল যে এগৰাকী নাবালিকা ছোৱালীক ধৰ্ষণ হৈছে আৰু ভুক্তভোগীক ৰজাপুখুৰী চিকিৎসালয়লৈ চিকিৎসা বাবে প্ৰেৰণ কৰা হৈছে। এই খবৰ পোৱাৰ লগে লগে ১৫/০৫/২০১৬ তাৰিখে থানাৰ সাধাৰণ পঞ্জীত প্ৰবেশ নং ৪৫৬ অন্তৰ্ভুক্ত কৰা হয় আৰু তাৰ পিছত তেওঁক বিষয়টোৰ তদন্ত চলোৱাৰ দায়িত্ব অৰ্পণ কৰা হয়। ১২নং সাক্ষীয়ে উল্লেখ কৰিছে যে সন্ধিয়া প্ৰায় ৫-১৫ বজাত তেওঁ সোণাৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু অন্যান্য আৰক্ষী জোৱানৰ সৈতে সোণাৰিস্থিত ৰজাপুখুৰী অসামৰিক চিকিৎসালয়লৈ গৈ “M” যাৰ বয়স আছিল ৪-৫ বছৰ, তাইৰ চিকিৎসাৰ বাবে এখন প্ৰয়োজনীয় পত্ৰ জাৰি কৰিছিল ।চিকিৎসালয়ত থকাৰ সময়তে সোণাৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই খবৰ পাইছিল যে আচামীজনক লংপটিয়া গাওঁৰ স্থানীয় ৰাইজে আটক কৰিছে। এই খবৰ পোৱাৰ লগে লগে তেওঁ গাঁওখনলৈ গৈ আচামীজনক জিম্মাত লয়। ইয়াৰ পিছতে আচামীজনক ৰজাপুখুৰী অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয় শাৰীৰিক পৰীক্ষাৰ বাবে। ১২নং সাক্ষীয়ে আৰু কয় যে আচামীৰ শৰীৰ খানা তালাচৰ সময়ত তেওঁ আচামীৰ মোনাৰ পৰা এটা

ললিপপ (মৰ্টন চকলেট) উদ্ধাৰ কৰিছিল আৰু প্ৰদৰ্শক-৩ দ্বাৰা সেইটো জব্দ কৰা হৈছিল । সেইদিনা তেওঁ ঘটনা সংঘটিত হোৱা ঠাইলৈ গৈ এখন মানচিত্ৰ অংকন কৰিছিল। প্ৰায় ৮-৩০ বজাত ভুক্তভোগীৰ পিতৃয়ে সোণাৰি থানাত এখন লিখিত এজাহাৰ দাখিল কৰে, যাৰ ভিত্তিত সোণাৰি থানাৰ গোচৰ নং ৮৯/২০১৬ পঞ্জীয়ন কৰা হয়। তদন্তকাৰী বিষয়া (১২নং সাক্ষী)য়ে আৰু কয় যে তেওঁ দুজন সাক্ষীক ফৌজদাৰী কাৰ্যবিধিৰ ধাৰা ১৬৪ৰ অধীনত তেওঁলোকৰ জবানবন্দী লিপিবদ্ধ কৰাৰ বাবে আদালতলৈ প্ৰেৰণ কৰিছিল। যদিও ভুক্তভোগীকো তাইৰ জবানবন্দী লিপিবদ্ধ কৰাৰ বাবে আদালতলৈ অনা হৈছিল, কিন্তু তাইৰ বয়স কম হোৱা বাবে তাইৰ জবানবন্দী লিপিবদ্ধ কৰিব পৰা নগ'ল। কাঁচৰ স্লাইডত ভুক্তভোগীৰ যৌনাংগৰ স্মিয়ৰ, আচামীৰ তেজ, আচামীৰ লিংগ তথা মূত্ৰনলীৰ স্মিয়ৰ প্ৰদৰ্শক-৮ৰ দ্বাৰা জব্দ কৰি থানাপাৰাৰ ডিএফএছএললৈ পঠিয়াইছিল যদিও ডিএনএ বিশ্লেষণৰ বাবে ৰাসায়নিক পদাৰ্থ উপলব্ধ নোহোৱাৰ বাবে সেই নমুনাবোৰ পৰীক্ষা কৰিব পৰা নগ'ল।

২২) জেৰাৰ সময়ত তদন্তকাৰী বিষয়াই নিশ্চিত কৰিছে যে ১নং সাক্ষীয়ে তেওঁৰ সন্মুখত উল্লেখ কৰা নাছিল যে বাটত তেওঁ খেলি থকা ল'ৰা পাইছিল যিয়ে তেওঁক কৈছিল যে তেওঁৰ ছোৱালী “M” য়ে তেওঁক বিচাৰি আহিছিল আৰু বগা চোলা পিন্ধা এজন ল'ৰাই তাইক লৈ গৈছিল আৰু যে এই ঘটনাৰ পিছত তেওঁ ভুক্তভোগীক বাগিচাৰ মালিকৰ বাসগৃহলৈ লৈ গৈছিল। তদন্তকাৰী বিষয়াই আৰু কয় যে বাগিচাৰ মালিকে (৯নং সাক্ষী)য়ে তেওঁৰ সন্মুখত “M”ৰ গোপন অংগত আঘাত দেখা বুলি উল্লেখ কৰা নাছিল।

২৩) গোচৰৰ নথিত অনা সাক্ষ্যসমূহৰ সযতনে বিশ্লেষণ কৰিলে আমি দেখিবলৈ পাওঁ যে গোচৰীয়া পক্ষই লোৱা সাক্ষ্য অনুসৰি ঘটনাৰ স্থান আৰু সময় সঠিকভাৱে

প্ৰতিষ্ঠিত। ভুক্তভোগী ছোৱালীজনী যে প্ৰায় ৪-৫ বছৰ বয়সৰ নাবালিকা আছিল আৰু তাইৰ গোপন অংগত গুৰুতৰ আঘাত পাইছিল যাৰ ফলত ৰক্তক্ষৰণ হৈছিল, সেয়াও গোচৰৰ নথিত অনা চিকিৎসাৰ সাক্ষ্য অৰ্থাৎ শাৰীৰিক পৰীক্ষাৰ প্ৰতিবেদন প্ৰদৰ্শক-২ আৰু চিকিৎসকৰ (সাক্ষী-৬) সাক্ষ্যৰ পৰাও সঠিকভাৱে সুপ্ৰতিষ্ঠিত । বিজ্ঞ এমিকাছ কুৰিয়ে উত্থাপন কৰা একমাত্ৰ বিষয়টো ১নং আৰু ১৩নং সাক্ষীৰ নিৰ্ভৰযোগ্যতাৰ সৈতে জড়িত, যিটো হল যে এজাহাৰকাৰী আৰু তেওঁৰ পত্নীয়ে তেওঁলোকৰ ছোৱালীৰ সৈতে হোৱা আচামীৰ বিবাহ বেচিদিন নিতিকা কাৰণে আচামীৰ সৈতে থকা পুৰণি শত্ৰুতাৰ বাবে আচামীজনক মিছাকৈ এই গোচৰত জড়িত কৰিছিল । কিন্তু ০৫/০৪/২০১৮ তাৰিখৰ বিবাদিত ৰায় আৰু আদেশৰ পৰা আমি দেখিবলৈ পাওঁ যে বিদ্বান বিশেষ ন্যায়াধীশগৰাকীয়ে উপযুক্ত কাৰণ দৰ্শাই এনে সম্ভাৱনাক সঠিকভাৱে নাকচ কৰিছিল। যিয়েই নহওক, বিদ্বান এমিকাছ কুৰিয়ে দাঙি ধৰা যুক্তি পৰ্যালোচনা কৰিবলৈ আমি ১নং আৰু ১৩নং সাক্ষীৰ সাক্ষ্যসমূহ আৰু ফৌজদাৰী কাৰ্যবিধিৰ ১৬৪ ধাৰামতে লিপিবদ্ধ কৰা তেওঁলোকৰ জবানবন্দীত সুক্ষ্মভাৱে পৰীক্ষা কৰিব লাগিব ।

২৪) ঘটনা সংঘটিত হোৱাৰ তাৰিখৰ পৰা প্ৰায় ৯ দিনৰ পিছত দণ্ডাধীশৰ সন্মুখত লিপিবদ্ধ কৰা তেওঁৰ জৱানবন্দীত ১নং সাক্ষীয়ে উল্লেখ কৰিছিল যে সেইদিনা তেওঁৰ ছোৱালী “M” য়ে তেওঁক বিচাৰি ওলাই গৈছিল যদিও তেওঁ ইতিমধ্যে তেওঁৰ কৰ্মস্থলী পৰা গুচি আহিছিল । পিছত তেওঁ “M”ক বিচাৰি গৈ বাৰে বাৰে তাইৰ নাম ধৰি চিঞৰি মাতিছিল আৰু দেখিছিল যে আচামীয়ে “পাট ঘৰ” (ছিঙি থোৱা পাত মজুত ৰখাৰ বাবে ব্যৱহাৰ কৰা এচলীয়া ঘৰ)ৰ পৰা “M”ক বাগানৰ ভিতৰলৈ দাঙি লৈ গৈ আছিল, মাটিত পৰি আছিল আৰু আচামীজন তাইৰ কাষত বহি আছিল। তেওঁলোকক দেখি আচামীয়ে পলায়ন

কৰিছিল। পিছত ৰাইজে তাক ধৰিছিল। তালৈ যোৱাৰ সময়ত তেওঁ দেখিছিল যে ভুক্তভোগীৰ শৰীৰৰ তলৰ অংশৰ পৰা তেজ ওলাই আছিল আৰু তাইৰ কাপোৰবোৰো তিতি গৈছিল। তাৰ পিছত তেওঁ তাইক দাঙি লৈছিল আৰু তেওঁৰ চাদৰো তেজৰে তিতি গৈছিল। তেওঁ লক্ষ্য কৰিছিল যে ভুক্তভোগীৰ যোনিৰ তলৰ অংশ ফাটি গৈছে। তাৰ পিছত তেওঁ ১০৮ এম্বুলেন্স সেৱালৈ ফোন কৰিছিল।

২৫) ১৩নং সাক্ষীৰ জবানবন্দী ঘটনাৰ প্ৰায় ৮ দিনৰ পিছত দণ্ডাধীশৰ সন্মুখত লিপিবদ্ধ কৰা হৈছিল আৰু ফৌজদাৰী কাৰ্যবিধিৰ ১৬৪ ধাৰামতে লিপিবদ্ধ কৰা তাইৰ জবানবন্দীত তাই এইটোও উল্লেখ কৰিছিল যে আচামীয়ে তাইৰ ভনীয়েকক টফিৰে প্ৰলোভিত কৰি লৈ গৈছিল। তাই যেতিয়া তাইৰ আন্টীৰ সৈতে ভুক্তভোগীক বিচাৰি গৈছিল, তেতিয়া তাই দেখিছিল যে আচামীয়ে “M”ক বাগিচাৰ মাজত শুৱাই ৰাখিছে। তেওঁলোকক দেখি আচামীয়ে পেন্ট পিন্ধি পলায়ন কৰে। যেতিয়া তেওঁলোকে “M” ক পাইছিল, তাইৰ পেন্টীটো আঁতৰাই দিয়া হৈছিল আৰু তাইৰ যৌনাংগ তেজেৰে লুতুৰি পুতুৰি হৈ আছিল ।

২৬)১নং সাক্ষী আৰু ১৩নং সাক্ষীৰ সাক্ষ্য সাধাৰণতে ফৌজদাৰী প্ৰক্ৰিয়া সংহিতাৰ ১৬৪ ধাৰাৰ অধীনত লিপিবদ্ধ কৰা জবানবন্দীৰ সৈতে সামঞ্জস্যপূৰ্ণ। তেওঁলোকৰ সাক্ষ্যত গোচৰীয়া পক্ষৰ গোচৰত কোনো ত্ৰুটিৰ সৃষ্টি কৰিব পৰা কোনো বিপৰীত ভাষ্য আমি বিচাৰি নাপাওঁ । ১৩নং সাক্ষীৰ সাক্ষ্য ১নং সাক্ষীয়ে যথাযথভাৱে সমৰ্থন কৰিছে। ১নং সাক্ষী আৰু ১৩নং সাক্ষীৰ সাক্ষ্যৰ পৰা দেখা যায় যে দুয়োজনে একেলগে ঘটনা সংঘটিত হোৱা স্থানত ঘটনা সংঘটিত হোৱাৰ কিছু সময়ৰ পিছতে উপস্থিত হৈছিল আৰু ভুক্তভোগীজনীক আঘাতপ্ৰাপ্ত অৱস্থাত আচামীৰ সৈতে পেন্ট নিপিন্ধাকৈ বহি থকা অৱস্থাত দেখা পাইছিল। তাৰ পিছত আচামীয়ে

সেই ঠাইৰ পৰা তৎক্ষণাত পলায়ন কৰে আৰু ১নং সাক্ষীয়ে ভুক্তভোগী ছোৱালীজনীক কোলাত তুলি লৈ ৯নং সাক্ষীৰ ঘৰলৈ আৰু তাৰ পিছত চিকিৎসালয়লৈ লৈ যায়। আমি ১নং সাক্ষী আৰু ১৩নং সাক্ষীৰ সাক্ষ্যক অবিশ্বাস কৰাৰ কোনো উচিত কাৰণ বিচাৰি নাপাওঁ। যদি তেওঁলোকৰ সাক্ষ্যৰ ওপৰত আস্থা প্ৰকাশ কৰা হয়, তেন্তে আচামী/আপিলকাৰীয়েই একমাত্ৰ ব্যক্তি যিয়ে নাবালিকা “M” ক ধৰ্ষণ কৰিছিল।

২৭) ইয়াত এইটোও মন কৰিবলগীয়া যে ১নং আৰু ১৩নং সাক্ষীৰ সাক্ষ্য সাক্ষী নং ৪, ৫, ৭, ৮ আৰু ৯ য়ে তেওঁলোকৰ সাক্ষ্যৰে সমৰ্থন কৰিছে। যদিও শ্ৰীশৰ্মা ডাঙৰীয়াই যুক্তি দিছে যে যিহেতু এই সকলোবোৰ শুনা সাক্ষ্য আৰু সেয়েহে আইন মতে গ্ৰহণযোগ্য নহয়, আমি বিজ্ঞ এমিকাছ কুৰিৰ এনে যুক্তিৰ সৈতে একমত হ’ব নোৱাৰো। সাক্ষী নং ৪, ৫, ৭, ৮ আৰু ৯ য়ে স্পষ্টভাৱে সাক্ষ্য প্ৰদান কৰিছিল যে তেওঁলোকে ভুক্তভোগীৰ মাতৃৰ পৰা অৰ্থাৎ ১নং সাক্ষীৰ পৰা শুনিছিল যে আচামীয়ে তেওঁৰ জীয়েকক ধৰ্ষণ কৰিছে। গোচৰৰ নথিত উপলব্ধ সাক্ষ্য-প্ৰমাণৰ পৰা দেখা যায় যে এই ঘটনাৰ কিছু সময়ৰ পিছতে তেওঁৰ জীয়েকক আঘাটপ্ৰাপ্ত অৱস্থাত পোৱাৰ পিছত ১নং সাক্ষীয়ে স্বতঃস্ফূৰ্তভাৱে ভুক্তভোগী ছোৱালীজনীক কোলাত তুলি ৯নং সাক্ষীৰ ঘৰলৈ গৈ বিষয়টো অৱগত কৰিছিল। ঠিক সেই সময়তে সাক্ষী নং ৪, ৫, ৭, ৮ আৰু ৯ য়ে ১নং সাক্ষীৰ পৰা শুনিছিল যে আচামীয়ে তেওঁৰ জীয়েকক ধৰ্ষণ কৰিছে।

২৮) সাক্ষ্যৰ সাধাৰণ নীতি অনুসৰি শুনা সাক্ষ্য গ্ৰহণযোগ্য নহয়। এইটো নিঃসন্দেহে শুদ্ধ যে সাক্ষী নং ৪, ৫, ৭, ৮ আৰু ৯ য়ে এই ঘটনাৰ কথা ১নং সাক্ষীৰ পৰা শুনিছিল। তথাপিও, সাক্ষ্য আইনৰ ধাৰা ৬ৰ বিধানৰ প্ৰতি লক্ষ্য ৰাখি পূৰ্বতে উল্লেখ কৰা সাক্ষীসকলে উত্থাপন কৰা সাক্ষ্য সমূহ আমাৰ দৃষ্টিত *ৰেছগেষ্টে (Res gastae)* সাক্ষ্যৰ সমান হ’ব কাৰণ তেওঁলোকে ১নং সাক্ষীৰ পৰা যি শুনিছিল আৰু

১নং সাক্ষীক যি পৰিস্থিতত দেখিছিল সেয়া আছিল একে সময়তে সংঘটিত হোৱা এক কাৰ্য্যৰ অংশ যিটো ঘটনাৰ ঠিক পিছতে ঘটিছিল ।

২৯) সাক্ষ্য আইনৰ ৬ নং ধাৰাত অন্তৰ্নিহিত নীতি পৰ্যালোচনা কৰাৰ সময়ত মাননীয় উচ্চতম ন্যায়ালয়ে ধল সিং দেৱাংগন বনাম চত্তিশগড় ৰাজ্যৰ গোচৰত [(২০১৬)১৬ এছ.চি.চি. ৭০১] ৰায় দিছিল যে ৰেছগেষ্টে সাক্ষীৰ সাক্ষ্য আইনমতে গ্ৰহণযোগ্য হ'ব। উক্ত ৰায়ৰ ২১ নং দফাত উল্লেখ কৰা পৰ্যবেক্ষণসমূহ ইয়াত প্ৰসংগক্ৰমে উল্লেখ কৰা হৈছে:-

> "২১. সাক্ষ্যৰ সাধাৰণ নীতিটো হ'ল শুনা সাক্ষ্য গ্ৰহণযোগ্য নহয়। কিন্তু সাক্ষ্য আইনখনৰ ৬নং ধাৰাত শুনাৰ নীতিৰ ব্যতিক্ৰম হিচাপে এটা নীতি সন্নিবিষ্ট কৰা হৈছে, যাক সাধাৰণতে ইংৰাজী আইনত *ৰেছগেষ্টে (Res gastae)*ৰ নিয়ম বুলি জনা যায়। এই ধাৰাটোৰ অন্তৰ্নিহিত যুক্তি হৈছে যে বিবাদিত জবানবন্দী স্বতঃস্ফূৰ্ত আৰু তাৎক্ষণিক হব লাগে যাতে মনেসজা তথ্য সৃষ্টিৰ বাবে কোনো সময় নাপায়। ৬নং ধাৰাৰ অধীনত কোনো জবানবন্দী গ্ৰহণযোগ্য হ'বলৈ হ'লে ই অপৰাধটো সংগঠিত কৰা কাৰ্য্যসমূহৰ সমসাময়িক হ'ব লাগিব বা অন্ততঃ অপৰাধটো সংগঠিত হোৱাৰ ঠিক পিছতে দিয়া হব লাগিব । ধাৰাটোৰ মূল অভিব্যক্তিসমূহ হ'ল "…….ইমানেই সংযুক্ত……. যে যাতে একেটা ঘটনাৰ ক্ৰম গঠন হয়"। কৃষণ কুমাৰ মালিকৰ (উপৰোক্ত) গোচৰত ৰায় দিয়াৰ দৰে জবানবন্দীসমূহ প্ৰায় সমসাময়িক হ'ব লাগিব আৰু জেনটেলা বিজয়বৰ্ধন ৰাওৰ (উপৰোক্ত) গোচৰত পোৱাৰ দৰে অপৰাধমূলক কাৰ্য্য আৰু বিবাদিত জবানবন্দী লিপিবদ্ধ কৰা বা দিয়াৰ মাজত সময়ৰ কোনো ব্যৱধান থাকিব নালাগে। পিছৰ গোচৰটোৰ ক্ষেত্ৰত এই কথা মানি লোৱা হৈছিল যে শুনা কথাৰ দ্বাৰা প্ৰমাণ

কৰিব বিচৰা উক্তি কাৰ্য্যটো বা পৰিঘটনাটোৰ সৈতে একেবাৰে সমসাময়িক নহলেও অন্ততঃ সেই কাৰ্য্যটো বা পৰিঘটনাটোৰ লগত ইমান স্পষ্টভাৱে জড়িত হ'ব লাগে যে সেই উক্তি সেই কাৰ্য্যটো বা পৰিঘটনাটোৰ এটা অংশ হয়। এই প্ৰয়োজনীয়তা তলত উল্লেখ কৰা ধাৰা ৬ৰ প্ৰথমটো ব্যাখ্যাৰ পৰা স্পষ্ট হৈ পৰে য'ত উল্লেখ কৰা হৈছে .... "যিটো কোৱা হৈছিল বা কৰা হৈছিল.... প্ৰহাৰ কৰাৰ সময়ত বা ইয়াৰ কিছু সময়ৰ আগতে বা পিছত ঘটনাৰ ক্ৰম হিচাপে গঠন হোৱাটো এটা প্ৰাসংগিক তথ্য।"

৩০)গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ লগতে ধল সিং দেৱাংগান (উপৰোক্ত) গোচৰত উল্লেখ কৰা বিবেচনাৰ অনুপাতৰ প্ৰতি লক্ষ্য ৰাখি আমি নিশ্চিত যে ৪, ৫, ৭, ৮ আৰু ৯নং সাক্ষীকেইজন *ৰেছগেষ্টে* সাক্ষী আছিল আৰু সেয়েহে আপীলকাৰীক দোষী সাব্যস্ত কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ সাক্ষ্যৰ ওপৰত আস্থা প্ৰকাশ কৰিব পাৰি ।

৩১) আচামীয়ে ভুক্তভোগীৰ পৰিয়ালৰ তেওঁৰ প্ৰতি থকা ক্ষোভৰ সন্দৰ্ভত উত্থাপন কৰা বিষয়টোৰ আমি কোনো নায্যতা বিচাৰি নাপাওঁ। গোচৰৰ নথিত থকা তথ্যৰ পৰা দেখা যায় যে ১নং আৰু ৩নং সাক্ষীৰ জ্যেষ্ঠ কন্যা নোমি ঘাটোৱাৰে আচামীৰ সৈতে পলায়ন কৰি তেওঁৰ সৈতে বিবাহপাশত আবদ্ধ হোৱা পিছত তেওঁৰ পৰা বিচ্ছিন্ন হৈ পিতৃৰ গৃহলৈ উভতি আহিছিল আৰু তাৰ পিছত পুনৰ বিয়া হৈছিল। গতিকে সেই সময়ত ১নং আৰু ১৩নং সাক্ষী আচামীৰ বিৰুদ্ধে ক্ষোভ থকাৰ কোনো কাৰণ নাই। তদুপৰি আমি ধাৰণা কৰাৰ কোনো ভিত্তিয়েই বিচাৰি নাপাওঁ যে প্ৰায় ৯ বছৰ বয়সৰ এটি শিশুৱে (১৩নং সাক্ষী) কেৱল ব্যক্তিগত ক্ষোভৰ বাবে আচামীক জড়িত কৰিবলৈহে এটা মনেসজা কাহিনী সৃষ্টি কৰিব পাৰে। ইয়াত এইটোও মন কৰিবলগীয়া যে ভুক্তভোগী ছোৱালীজনীক লগে লগে চিকিৎসালয়লৈ লৈ

যোৱা হয় আৰু তাত চিকিৎসকে পৰীক্ষা কৰি তেওঁৰ গোপন অংগত আঘাত দেখা পায়। আনকি ঘটনাৰ কেইঘণ্টামানৰ ভিতৰতে এজাহাৰকৰীয়ে এজাহাৰ দাখিল কৰে। ওপৰত উল্লেখিত পৰিস্থিতিত আচামীয়ে এই গোচৰত তেওঁক মিছাকৈ জড়িত কৰা বুলি লোৱা আবেদনৰ কোনো ধৰণৰ নায্যতা পোৱা নাযায় আৰু সেয়েহে ইয়াক নাকচ কৰা হয়।

৩২) ইয়াত এইটোও উল্লেখ কৰাটো গুৰুত্বপূৰ্ণ হ'ব যে আচামীয়ে তেওঁৰ নিৰ্দোষিতা প্ৰমাণ কৰাৰ বাবে সাক্ষ্য প্ৰদান কৰাৰ কথা নক'লেও, আচামীজনে আনকি ঘটনাৰ স্থলীত তেওঁ উপস্থিত থকা সম্পৰ্কে কোনো যুক্তিসংগত ব্যাখ্যা প্ৰদান কৰাত ব্যৰ্থ হৈছিল। আমাৰ দৃষ্টিত এনে ব্যৰ্থতাই আচামীজনৰ বিৰুদ্ধে পৰিস্থিতিগত শৃংখলৰ এক শক্তিশালী যোগসূত্ৰ থকাটো প্ৰমাণ কৰে।

৩৩) গোচৰৰ নথিত থকা সাক্ষ্যৰ এক বিস্তৃত বিশ্লেষণ কৰি ওপৰত উল্লেখ কৰা কাৰণসমুহৰ বাবে বিদ্বান বিশেষ ন্যায়াধীশে আপীলকাৰীক দোষী সাব্যস্ত কৰি আজীৱন কাৰাবাস খটাৰ শাস্তি প্ৰদান কৰাৰ লগতে জৰিমনা বিহি ০৫/০৪/২০১৮ তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশৰ সৈতে আমি একমত । গতিকে আমি এই আপীলৰ কোনো গুণাগুণ বিচাৰি নাপাওঁ, সেয়েহে এই আপীল খাৰিজ কৰা হল। আপীলকাৰীক দোষী সাব্যস্ত কৰা ৰায়টো বাহাল থাকিল ।

৩৪)গোচৰটো শেষ কৰাৰ আগতে আমি বিদ্বান এমিকাছ কুৰি শ্ৰীআৰ শৰ্মা ডাঙৰীয়াই আগবঢ়োৱা মূল্যৱান সেৱাৰ প্ৰতি আমাৰ অভিমূল্যনক নথিত লিপিবদ্ধ কৰি ৰাখিবলৈ ইচ্ছা কৰিছো আৰু পঞ্জীয়ণ বিভাগক নিৰ্দেশ দিয়ো যে তেওঁক যাতে অধিসূচিত মাচুলৰ নিৰিখ অনুসৰি ন্যায্য পাৰিতোষিক প্ৰদান কৰা হয় ।

নিম্ন আদালতৰ গোচৰৰ নথি ঘূৰাই পঠাওক।

ন্যায়াধীশ

ন্যায়াধীশ

সুখময়